# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 09-SEP-2025
**Time :** 1715 HRS

# *Assamese Evening Bulletin*

—————————————————

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মঙলদৈত উপস্থিত হৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সমাগত দৰং জিলা ভ্ৰমণৰ সামগ্ৰিক পৰিস্থিতিৰ বুজ লয়। মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰস্তাৱিত দৰং মেডিকেল কলেজ চৌহদৰ মূল সভাস্থলী পৰিদৰ্শন কৰি জিলা প্ৰশাসনৰ লগতে সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে মিলিত হয়। প্ৰধানমন্ত্ৰীগৰাকীৰ সমাগত ভ্ৰমণ সম্পৰ্কীয় বিভিন্ন দিশৰ প্ৰস্তুতিৰ বিষয়ে আলোচনা কৰি সংশ্লিষ্ট সকলো বিভাগক নিয়াৰিকৈ কামসমূহ আগবঢ়াই নিবলৈ যাৱতীয় নিৰ্দেশনা প্ৰদান কৰে।

০০০০০

দেশৰ পঞ্চদশগৰাকী উপ-ৰাষ্ট্ৰপতি পদৰ বাবে আজি নিৰ্বাচন অনুষ্ঠিত হৈছে। নতুন সংসদ ভৱনত জ্যেষ্ঠ বিজেপি নেতা আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভোটদান কৰে। লোকসভা আৰু ৰাজ্যসভাৰ সদস্যসকলেও ভোটদান কৰিছে। সন্ধিয়া ৬ বজাৰ পৰা ভোটগণনা কৰা হ'ব। এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থী তথা মহাৰাষ্ট্ৰৰ ৰাজ্যপাল চি পি ৰাধাকৃষ্ণণ আৰু আই এন ডি আই এ মিত্ৰজোঁটৰ প্ৰাৰ্থী তথা উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ বি সুদৰ্শন ৰেড্ডীৰ মাজত উপ-ৰাষ্ট্ৰপতি পদৰ বাবে প্ৰতিদ্বন্দ্বিতা হৈছে। সাংবিধানিক ব্যৱস্থা অনুযায়ী লোকসভা আৰু ৰাজ্যসভাৰ সদস্যসকলক লৈ গঠিত ভোটদাতা মণ্ডলীয়ে সমানুপাতিক প্ৰতিনিধিত্বৰ আধাৰত উপৰাষ্ট্ৰপতি পদৰ বাবে গোপন বেলটৰ যোগেৰে ভোটদান কৰে। বৰ্তমান লোকসভাৰ সদস্যৰ সংখ্যা হৈছে ৫৪২ আৰু ৰাজ্যসভাৰ সদস্যৰ সংখ্যা হৈছে ২৩৯। সেই অনুসৰি দুয়োখন সদনৰ মুঠ ৭৮১ গৰাকী সদস্যৰ ভিতৰত ৩৯১ গৰাকীৰ ভোট লাভ কৰা প্ৰাৰ্থীগৰাকীয়ে উপ-ৰাষ্ট্ৰপতি হিচাপে বিজয়ী হ'ব।

উল্লেখযোগ্য যে পূৰ্বৰ উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে যোৱা জুলাই মাহত পদত্যাগ কৰাৰ বাবে এই নিৰ্বাচন অনুষ্ঠিত হৈছে।

০০০০০

আসন্ন বিটিচি নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলে বিটিআৰৰ জিলা কেইখনত ব্যাপক প্ৰচাৰ চলাই আছে। একেদৰে জিলা প্ৰশাসনসমূহেও নিৰ্বাচনী দায়িত্বত নিয়োজিত বিষয়া-কৰ্মচাৰীৰ প্ৰশিক্ষণকে ধৰি অন্যান্য প্ৰস্তুতি অব্যাহত ৰাখিছে।

চিৰাং জিলাৰ সাতটা পৰিষদীয় সমষ্টিটে ৰাজনৈতিক দলসমূহে প্ৰচাৰ চলাইছে। বিজেপিৰ ৰাজ্যিক সাধাৰণ সম্পাদক তথা প্ৰাক্তন সাংসদ পল্লৱ লোচন দাসে আজি বাসুগাঁৱত বিজেপিৰ নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে। অনুষ্ঠানত ১৩ নম্বৰ চিৰাং পৰিষদীয় সমষ্টিৰ দলীয় প্ৰাৰ্থী সৌমথৌৰ ব্ৰহ্মকে ধৰি স্থানীয় নেতাসকল উপস্থিতি থাকে।

০০০০০

অসমত দীনদয়াল দিব্যাংগ পেন্সন আঁচনি পুনৰ প্ৰৱৰ্তন কৰা আৰু দিব্যাংগসকলৰ মাহিলী পেন্সনৰ পৰিমাণ বৃদ্ধি কৰিবলৈ আজি বৰপেটা জিলা দিব্যাংগ সন্থাৰ বৰপেটা জিলা সমিতিয়ে জিলা আয়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ এখন স্মাৰক-পত্ৰ প্ৰেৰণ কৰে। বৰপেটা জিলা দিব্যাংগ সন্থাৰ সম্পাদক অনন্ত ডেকাই ভাৰতৰ আনবোৰ ঠাইত

বৰ্তমানে চলি থকা এই আঁচনিখন অসমতো পুনৰ প্ৰৱৰ্তন কৰিবলৈ মুখ্যমন্ত্ৰীগৰাকীক অনুৰোধ জনাইছে। একেদৰে মাহিলী ভাট্টাৰ পৰিমাণো বৰ্তমানৰ এহেজাৰ টকাৰ পৰিৱৰ্তে ৫ হাজাৰ টকালৈ বৃদ্ধি কৰিবলৈ সন্থাই স্মাৰক পত্ৰৰ জৰিয়তে আহ্বান জনাইছে।

০০০০০

পাঠশালাৰ ভট্টদেৱ বিশ্ববিদ্যালয়ত সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উপলক্ষে কালিৰে পৰা দুদিনীয়াকৈ ৰাষ্ট্ৰীয় আলোচনা সত্ৰ অনুষ্ঠিত হৈছে। আজি এই আলোচনা সত্ৰত অংশগ্ৰহণ কৰি ৰাজ্যৰ বিশিষ্ট শিক্ষাবিদ অমৰজ্যোতি চৌধুৰীয়ে ড০ হাজৰিকাৰ গীতক লুইতৰ ঢৌৰ সৈতে তুলনা কৰি তেওঁৰ জীৱন আৰু আদৰ্শ সন্দৰ্ভত বহু গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। বিশ্ববিদ্যালয়খনৰ অসমীয়া বিভাগ আৰু আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ উদ্যোগত আয়োজিত এই আলোচনা সত্ৰ ভূপেন হাজৰিকাৰ জীৱন আৰু কৃতিত্বক বিশেষভাৱে সন্মান জনোৱা হয়। কালি অনুষ্ঠানৰ প্ৰথম দিনা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত পোষ্টাৰ সজোৱা, মুকলি কুইজ আদিৰ লগতে এখন গ্ৰন্থমেলা অনুষ্ঠিত হয়। আজি দ্বিতীয় দিনৰ কাৰ্যসূচী হিচাপে আয়োজন কৰা অসম সমাজ-সংস্কৃতি আৰু ভূপেন হাজৰিকাৰ সৃষ্টি শীৰ্ষক আলোচনা সত্ৰখন উদ্বোধন কৰে স্থানীয় বিধায়ক তথা মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি সূৰ্য হাজৰিকা মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰা এই অনুষ্ঠানত কেইবাজনো বিশিষ্ট ব্যক্তি প্ৰমুখ্যে জ্যেষ্ঠ চৰকাৰী বিষয়া উপস্থিত থাকে।

০০০০০

সমাপ্ত